# এজন অশিক্ষিত কৃষকৰ সাফল্যৰ কাহিনী

ৰঙিয়া চহৰৰ পৰা মাত্ৰ ৫ কিঃ মিঃ দূৰত্বত কৰৰা গড়ভিতৰ গাওঁখন অৱস্থিত। উক্ত গাওঁৰ শ্ৰী উমেশ ডেকা এজন অশিক্ষিত কিন্তু আগৰণুৱা কৃষক। কৃষিয়ে তেখেতৰ জীৱনৰ একমাত্ৰ আহিলা। তেখেতৰ থলুৱা কৃষিয়ে হঠাৎ এটা নতুন ৰূপ পায় প্ৰায় তিনিবছৰ আগত। তেখেতৰ প্ৰযুক্তি মিছনৰ অধীনত প্ৰায় ০.২ হেঃ মাটিত ৰজনীগন্ধা ফুল খেতিৰ বাবে বাচনি কৰা হয়। ফুলৰ মোহত তেখেতে এনেকুৱা ভাবে অনুপ্ৰাণিত হ'ল যে বৰ্ত্তমান তেওঁ এজন লাখপতি খেতিয়ক। তেওঁ প্ৰথম আৰু দ্বিতীয় বছৰত ফুল বিক্ৰী কৰি প্ৰায় ৯০ হেজাৰ টকা আৰু বৰ্ত্তমান হাতত মজুত থকা প্ৰায় ২ লাখ বাল্বত অতি কমেও একলাখ পয়ত্ৰিছ হাজাৰ টকা পোৱাটো খাটাং।

বৰ্ত্তমান ফুল কৰা ঠাই ০.২ হেঃ ৰ ঠাইত প্ৰায় ০.৪ হেঃ হৈছেগৈ আৰু কৃষি বিভাগৰ ফালৰ পৰা পোৱা উপদেশ সমূহ আখৰে আখৰে পালন কৰি এনে এজন খেতিয়ক হৈ পৰিছে যে কোনো শিক্ষিত খেতিয়কে তেখেতৰ লগত compete কৰিবলৈ চিন্তা কৰিব লাগিব।

(উৎস ঃ জিলা কৃষি বিষয়া, কামৰূপ)